**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-06-2024 **Time :** 1800 Hrs.

***Assamese Evening Bulletin***

অষ্টাদশ লোকসভাৰ প্ৰথমখন অধিৱেশন আজি আৰম্ভ হৈছে। অধিৱেশনৰ পূৰ্বে ৰাষ্ট্ৰপতি ভৱনত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে অস্থায়ী অধ্যক্ষ ভাৰ্তুহাৰি মহতাবক শপত বাক্য পাঠ কৰোৱায়। অধিৱেশনত প্ৰথমে নৱ-নিৰ্বাচিত সদস্যসকলক পদ আৰু গোপনীয়তাৰ শপত বাক্য পাঠ কৰোৱা হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে প্ৰথমে সদনৰ সদস্য হিচাপে শপত গ্ৰহণ কৰে। অস্থায়ী  অধ্যক্ষ ভাৰ্তুহাৰি মহতাবে শ্ৰীমোডীক শপতবাক্য পাঠ কৰোৱায়। ইয়াৰ পাছত স্থায়ী অধ্যক্ষ নিৰ্বাচন নোহোৱা পৰ্যন্ত শ্ৰীমহতাবক সহায় কৰিবলৈ নিযুক্তি দিয়া অধ্যক্ষ পেনেলৰ শপত গ্ৰহণ কৰোৱা হয়। বিজেপিৰ সাংসদ ৰাধামোহন সিং আৰু ফগ্গন সিং কুলাষ্টে অধ্যক্ষ পেনেলৰ সদস্য হিচাপে শপত গ্ৰহণ কৰে। অৱশ্যে কংগ্ৰেছৰ সাংসদ কে সুৰেশ, ডি এম কে সাংসদ টি আৰ বালু আৰু তৃণমূল কংগ্ৰেছৰ সুদীপ বন্দোপধ্যায়ে পেনেলৰ সদস্য হিচাপে শপত লোৱাৰ পৰা বিৰত থাকে। ইয়াৰ পাছতে কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহ, ৰাজনাথ সিং, শিৱৰাজ সিং চৌহান, নীতিন গাডকাৰীকে ধৰি অনান্য মন্ত্ৰীসকলে লোকসভাৰ সদস্য হিচাপে শপত গ্ৰহণ কৰে। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু অসমৰ পৰা কংগ্ৰেছৰ সাংসদ গৌৰৱ গগৈয়ে অসমীয়া ভাষাত আৰু কে ৰামমোহন নাইডুৱে তেলেগু ভাষাত শপত গ্ৰহণ কৰে। কেন্দ্ৰীয় মন্ত্ৰীদ্বয় এইছ ডি কুমাৰাস্বামী আৰু প্ৰহ্লাদ যোশীয়ে কানাড়া ভাষাত শপত গ্ৰহণ  কৰাৰ বিপৰীতে ধৰ্মেন্দ্ৰ প্ৰধান আৰু জুৱেল ওৰামে ওড়িয়া ভাষাত শপত গ্ৰহণ কৰে। আজি সদনত অধিকাংশ মন্ত্ৰীয়ে আঞ্চলিক ভাষাত শপত গ্ৰহণ কৰাটো আছিল গুৰুত্বপূৰ্ণ দিশ। ইপিনে, কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ শপত গ্ৰহণৰ সময়ত বিৰোধী দলৰ সদস্যসকলে চিকিৎসা বিজ্ঞানৰ প্ৰৱেশ পৰীক্ষাত হোৱা ত্ৰুটি সন্দৰ্ভত শ্ল’গান দি হুলস্থূলীয়া পৰিবেশৰ সৃষ্টি কৰে। পৰহিলৈ লোকসভাৰ নতুন অধ্যক্ষ নিৰ্বাচন হোৱাৰ লগতে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে অহা বৃহস্পতিবাৰে সংসদৰ দুয়োখন সদনৰে যুটীয়া বৈঠকত ভাষণ দিব। সেইদিনাই ৰাজ্যসভাৰ অধিবেশন আৰম্ভ হ’ব। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি তথা কেন্দ্ৰীয় মন্ত্ৰী জেপি নাড্ডাক ৰাজ্যসভাত দলৰ নেতা হিচাপে নিৰ্বাচিত কৰা হৈছে। আনহাতে, ৩ জুলাইত সংসদৰ অধিবশনৰ সামৰণি পৰিব।

ইপিনে, আজি লোকসভা অধিবেশনৰ প্ৰথম দিনাই বিৰোধী দলৰ সদস্যসকলে সংবিধানৰ প্ৰতিলিপি লৈ সংসদ ভৱনৰ চৌহদত প্ৰতিবাদ সাব্যস্ত কৰে। কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খাৰ্গে, সংসদীয় দলৰ সভানেত্ৰী ছোনিয়া গান্ধী, ৰাহুল গান্ধী, সমাজবাদী পাৰ্টিৰ অখিলেশ যাদৱ, তৃণমূল কংগ্ৰেছৰ সাংসদ কল্যাণ বেনাৰ্জীকে ধৰি কেইবাগৰাকী সদস্যই প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰে।

0000000

দেশৰ জনসাধাৰণৰ কল্যাণৰ লক্ষ্যৰে সংবিধানৰ পৰিসৰৰ ভিতৰত থাকি আৰু সহমতৰ দ্বাৰা অগ্ৰসৰ হৈ বিকশিত ভাৰত নিৰ্মাণৰ বাবে চৰকাৰে সংকল্প লৈছে বুলি  প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মন্তব্য কৰিছে।  অষ্টাদশ লোকসভাৰ প্ৰথম অধিবেশন আজি বিকশিত ভাৰত নিৰ্মাণৰ প্ৰতিশ্ৰুতিৰ সৈতে আৰম্ভ হৈছে। তেওঁ কয় যে তেওঁৰ চৰকাৰে দেশৰ সেৱা কৰিবলৈ আৰু জনসাধাৰণৰ আশা-আকাংক্ষা পূৰণ কৰিবলৈ পূৰ্ণগতিত প্ৰয়াস চলাব। অধিবেশন আৰম্ভ হোৱা পূৰ্বে সংসদৰ বাহিৰত সংবাদ মাধ্যমৰ আগত এই কথা প্ৰকাশ কৰি শ্ৰীমোদীয়ে নৱনিৰ্বাচিত সকলো সাংসদক অভিনন্দন জ্ঞাপন কৰে। তেওঁ কয় যে চৰকাৰ চলাবলৈ সংখ্যাগৰিষ্ঠতাৰ প্ৰয়োজন, কিন্তু দেশ চলাবলৈ দেশৰ সহমতৰ অতি প্ৰয়োজন। প্ৰধানমন্ত্ৰীয়ে কয় যে স্বাধীনতা লাভ কৰাৰ পাছত প্ৰথমবাৰৰ বাবে লোকসভাৰ সাংসদসকলৰ শপত গ্ৰহণ কাৰ্যসূচী নতুন সংসদ ভৱনত অনুষ্ঠিত হৈছে। তেওঁ লগতে কয় যে বিশ্বৰ সকলোতকৈ বৃহৎ নিৰ্বাচন প্ৰক্ৰিয়া গৌৰৱময় ভাৱে সম্পন্ন হৈছে। তেওঁ কয় যে স্বাধীনতা লাভ কৰাৰ পাছত দ্বিতীয়বাৰ দেশৰ

জনসাধাৰণে একেৰাহে তৃতীয়বাৰলৈ কোনো এখন চৰকাৰক দেশৰ সেৱা কৰিবলৈ সুবিধা দিছে। তেওঁ অষ্টাদশ লোকসভাৰ সাংসদসকলে জনসাধাৰণৰ আশা-আকাংক্ষাসমূহ পূৰণ কৰিব বুলি আশা প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীয়ে অষ্টাদশ লোকসভাত যুৱ সাংসদৰ সংখ্যা বৃদ্ধি হোৱাক লৈ আনন্দ প্ৰকাশ কৰে। বিৰোধীৰ ভূমিকাক লৈ প্ৰধানমন্ত্ৰীয়ে কয় যে গণতন্ত্ৰৰ মৰ্যাদা বজাই ৰাখি তেওঁলোকে বিৰোধীৰ ভূমিকা পালন কৰিব বুলি জনসাধাৰণে আশা কৰে। সাধাৰণ নাগৰিকৰ আশা পূৰণৰ বাবে প্ৰতিগৰাকী সাংসদে চেষ্টা অব্যাহত ৰাখিব বুলি প্ৰধানমন্ত্ৰীগৰাীয়ে দৃঢ়তাৰে প্ৰকাশ কৰে।

০০০০০০০

মৰিগাঁও জিলাৰ জাগীৰোডৰ শিলভঙাত আজি জিলা প্ৰশাসনে চৰকাৰী ভূমি দখলমুক্ত কৰাৰ বাবে অভিযান চলায়। দখল কৰি থকা লোকসকলৰ অধিকাংশই প্ৰশাসনৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই স্বেচ্ছাই নিজৰ সা-সামগ্ৰী লৈ অঞ্চলটো খালী কৰিছে। ফলত প্ৰশাসনে উচ্ছেদৰ বাবে কোনোধৰণৰ বাহিনী বা শক্তি প্ৰয়োগ কৰা নাই। উল্লেখযোগ্য যে এই অঞ্চলৰ ৰে'ল বিভাগৰ মাটিত অবৈধভাৱে বসবাস কৰি থকা প্ৰায় ডেৰ হাজাৰ পৰিয়ালক উচ্ছেদ কৰিবলৈ জিলা প্ৰশাসনে আজিৰেপৰা ব্যৱস্থা গ্ৰহণ কৰিছে। অৱশ্যে ৰে'ল বিভাগৰ জাননী পোৱাৰ পাছত বহু পৰিয়ালে ইতিমধ্যে সেই স্থান এৰি দিছে।

০০০০০০০

অসম চৰকাৰে গুৱাহাটী জিলা পুথিভঁৰালটো নতুন আন্তঃগাঁথনিৰে উন্নীতকৰণ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে। ৫১ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া এই ভৱনটোত চাৰিটা পুথিভঁৰাল মহলা, তিনিটা সাধাৰণ অধ্যয়ন ক্ষেত্ৰ, কিতাপৰ বিপণী, কেফেটেৰিয়া, পাৰ্কিং সুবিধা তথা পঢ়ুৰৈ আৰু দৰ্শনাৰ্থীৰ বাবে বিভিন্ন সুবিধা ৰখা হ'ব। সাম্প্ৰতিক সময়ৰ উপযোগী হোৱাকৈ পুথিভঁৰালটো গঢ়ি তোলা হ'ব বুলি প্ৰকাশ কৰা হৈছে।

০০০০০০

**সমাপ্ত**